**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 01-01-2026
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

ইংৰাজী নৱবৰ্ষ ২০২৬-ৰ আজি পহিলা দিন উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত জনসাধাৰণৰ মাজত উৎসাহ-উদ্দীপনাই বিৰাজ কৰে। নতুন বছৰটোত নিজৰ লগতে পৰিয়ালৰ কুশল কামনা কৰি নেদেখাজনৰ আশীষ ল'বলৈ আজি পুৱাতেই ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ধৰ্মীয় স্থানসমূহত অগণন লোকৰ সমাগম হয়। গুৱাহাটী মহানগৰীৰ শক্তিপীঠ কামাখ্যা ধাম, উত্তৰ গুৱাহাটীৰ দৌল গোবিন্দ দেৱালয়, লতাশিল আৰু গণেশগুৰিৰ গণেশ মন্দিৰৰ উপৰি অন্যান্য মঠ-মন্দিৰ আৰু ধৰ্মীয় স্থানসমূহত বহুলোক সমবেত হয়। হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰ, বকোৰ পাৰ্বতী মন্দিৰকে ধৰি বিভিন্ন ধৰ্মীয় স্থানসমূহত ভক্তৰ সমাগমৰ লগতে গুৱাহাটীৰ অসম ৰাজ্যিক চিৰিয়াখানাতো আজি বহু লোকে ভিৰ কৰা দেখা যায়। নৱবৰ্ষৰ প্ৰথম দিনটোত চিৰিয়াখানালৈ ছহেজাৰ ২৪গৰাকী দৰ্শনাৰ্থীৰ আগমন ঘটে বুলি চিৰিয়াখানা কৰ্তৃপক্ষই প্ৰকাশ কৰে। কৰ্তৃপক্ষৰ নীতি অনুসৰি শুকুৰবাৰে চিৰিয়াখানা বন্ধ ৰখা হয় যদিও নতুন বছৰ উপলক্ষে কাইলৈ চিৰিয়াখানা মুকলি থাকিব।

০০০০০০০

অসম চৰকাৰে নিউ গুৱাহাটীৰ ভাৰতীয় খাদ্য নিগমৰ গুদামৰূপে ব্যৱহৃত ভূমি গুৱাহাটী ৰে'ল ষ্টেচনৰ সম্প্ৰসাৰণৰ বাবে ব্যৱহাৰ কৰা সন্দৰ্ভত ৰে'ল বিভাগৰ সৈতে আলোচনা কৰিব। আজি কইনাধৰাৰ ১ নম্বৰ অতিথিশালাত ৰাজ্যখনৰ জ্যেষ্ঠ সম্পাদকসকলৰ সৈতে হোৱা **নতুন দিনৰ আলাপ** অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই কথা সদৰি কৰে। আমাৰ বিশেষ সংবাদদাতা ৰাজীৱ লোচন বৰঠাকুৰে গুৱাহাটী ৰে'ল ষ্টেচনত বৰ্তমান মাত্ৰ ৭খন প্লেটফৰ্ম থকা হেতুকে গুৱাহাটীৰ পৰা নতুন ৰে'লগাড়ী প্ৰৱৰ্তনত বাধা হোৱাৰ প্ৰসঙ্গ উত্থাপন কৰি সোধা এটা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে কয় যে গুৱাহাটী ৰে'ল ষ্টেচনৰ সম্প্ৰসাৰণৰ বাবে অসম ৰাজ্যিক পৰিবহন নিগমৰ পল্টন বজাৰৰ ভূমি ৰে'ল বিভাগক আবণ্টন দিয়া হৈছে। তদুপৰি গুৱাহাটী ৰে'ল ষ্টেচনৰ পাৰ্শ্বৱৰ্তী কামাখ্যা, নাৰেংগী, চাংসাৰি আৰু জাগীৰোড ষ্টেচনৰ পৰা অতিৰিক্ত ৰে'লগাড়ী চলাচলৰ জৰিয়তে গুৱাহাটী ষ্টেচনৰ প্লেটফৰ্মৰ অসুবিধা আঁতৰ কৰাৰ চেষ্টা কৰা হৈছে। আমাৰ সংবাদদাতাৰ আন এটা প্ৰশ্নৰ উত্তৰত ড০ শৰ্মাই কয় যে গুৱাহাটীৰ ওচৰত ব্ৰহ্মপুত্ৰৰ ওপৰত দ্বিতীয়খন ৰে'ল তথা পথ দলং নিৰ্মাণৰ কাম ইতিমধ্যে আৰম্ভ হৈছে। এই দলংখন নিৰ্মাণৰ ক্ষেত্ৰত ভূমি অধিগ্ৰহণৰ কোনো ধৰণৰ সমস্যা হোৱাৰ কথা মুখ্যমন্ত্ৰীয়ে অস্বীকাৰ কৰে।

০০০০০০০

ভাৰতীয় ৰে'লৰ নৱতম সংযোজন - বন্দে ভাৰত শ্লীপাৰ ৰে'ল সেৱা অসমতো প্ৰৱৰ্তনৰ সিদ্ধান্ত লোৱা হৈছে। গুৱাহাটী আৰু কলকাতাৰ মাজত এই নতুন বন্দে ভাৰত শ্লীপাৰ সেৱা প্ৰৱৰ্তন কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি তেওঁৰ ফে'চবুক পে'জ যোগে এই কথা সদৰি কৰে। উল্লেখযোগ্য যে ২০২৩ চনত প্ৰৱৰ্তন কৰা বন্দে ভাৰত ৰে'ল সেৱা এতিয়ালৈকে দিনৰ ভাগতহে চলাচল কৰিছিল। ৰে'ল মন্ত্ৰালয়ে ইতিমধ্যে নিশাৰ ভাগত চলাচল কৰিব পৰা বন্দে ভাৰত শ্লীপাৰ সেৱাৰ স্পীড ট্ৰায়েল সম্পন্ন কৰিছে আৰু এই ট্ৰায়েলত ৰে'লগাড়ীখনে ঘণ্টাৰ সৰ্বোচ্চ ১৮০ কিলোমিটাৰৰ গতিবেগ অতিক্ৰম

কৰিছে। গুৱাহাটী আৰু কলকাতাৰ মাজত প্ৰস্তাৱিত এই বন্দে ভাৰত শ্লীপাৰ সেৱাৰ সময়সূচী এতিয়ালৈকে ঘোষণা হোৱা নাই যদিও মহানগৰ দুখনৰ মাজৰ প্ৰায় এহেজাৰ কিলোমিটাৰ দূৰত্ব এই ৰেলগাড়ীখনে প্ৰায় ৮-৯ ঘণ্টাৰ ভিতৰত সম্পূৰ্ণ কৰিব বুলি আশা কৰা হৈছে।

০০০০০০০

হোজাই জিলা প্ৰশাসনে কাইলৈ ডবকাৰ যমুনা-মৌদংগা সংৰক্ষিত বনাঞ্চলৰ প্ৰায় ৬ হাজাৰ বিঘা ভূমিত উচ্ছেদ চলাব। ইয়াৰ বাবে বন বিভাগ আৰু জিলা প্ৰশাসনে প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। বন বিভাগে ইতিমধ্যে বনাঞ্চলখনত জৰীপ চলাই কেইবাহাজাৰ বিঘা ভূমি অবৈধ দখলকাৰীৰ কবলত থকাৰ তথ্য লাভ কৰে আৰু এহেজাৰ ২০০ৰো অধিক দখলকাৰীলৈ জাননী প্ৰেৰণ কৰে।

এই অভিযানৰ জৰিয়তে অঞ্চলটোত ৩০-৪০ বছৰ ধৰি অবৈধভাৱে বাস কৰি থকা এহেজাৰ ১৭০টা পৰিয়ালৰ ভিতৰত এহেজাৰ ১৮টা উচ্ছেদ কৰা হ'ব। বাকী ১৫২টা পৰিয়ালে সকাহ বিচাৰি উচ্চ ন্যায়ালয়ৰ কাষ চাপিছিল। ইপিনে উচ্ছেদৰ জাননী লাভ কৰাৰ পাছতে স্থানীয় বিধায়কসহ একাংশই ভূমিহীনসকলক পুনৰ সংস্থাপনৰ দাবী জনাই জিলা আয়ুক্তক স্মাৰক পত্ৰ প্ৰদান কৰে।

০০০০০০০

শোণিতপুৰ জিলা প্ৰশাসনে বৰ্তমান অব্যাহত থকা শীত প্ৰবাহৰ পৰিপ্ৰেক্ষিতত জিলাখনৰ অন্তৰ্গত সকলো চৰকাৰী, প্ৰাদেশীকিকৃত আৰু ব্যক্তিগত বিদ্যালয়ৰ সময়সূচী পুনৰ নিৰ্ধাৰণ কৰিছে। জিলা আয়ুক্তৰ নিৰ্দেশ অনুসৰি নিম্ন প্ৰাথমিক বিদ্যালয়সমূহ পুৱা ১০ বজাৰ পৰা দুই বজালৈ, উচ্চ প্ৰাথমিক  বিদ্যালয়সমূহ পুৱা ১০ বজাৰ পৰা দুপৰীয়া আঢ়ৈ বজালৈ আৰু উচ্চ তথা উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহ পুৱা ১০ বজাৰ পৰা বিয়লি ৩ বজালৈ পৰিচালিত হ'ব। অৱশ্যে দশম শ্ৰেণীৰ প্ৰি-ফাইনেল পৰীক্ষা আৰু দ্বাদশ শ্ৰেণীৰ ৰিভিজনেৰী পৰীক্ষাৰ সময়সূচী অপৰিৱৰ্তিত থাকিব। এই নিৰ্দেশ তাৎক্ষণিকভাৱে সমগ্ৰ সোণিতপুৰ জিলাত কাৰ্যকৰী হৈছে আৰু পৰৱৰ্তী নিৰ্দেশ নিদিয়া পৰ্যন্ত বাহাল থাকিব।

০০০০০০০

উত্তৰ গুৱাহাটীৰ মধ্যম খণ্ডত আজি সংঘটিত এটা পথ দুৰ্ঘটনাত এজন লোকৰ থিতাতে মৃত্যু হোৱাৰ লগতে আন দুজন লোক গুৰুতৰভাৱে আহত হয়। এখন চাৰিচকীয়া বাহনে এখন স্কুটী আৰু এখন মটৰ চাইকেলত খুন্দা মৰাৰ ফলত এই দুৰ্ঘটনাতো সংঘটিত হয়। দুৰ্ঘটনা সংঘটিত কৰা বাহনখনৰ চালক আৰু সহযোগীক আৰক্ষীয়ে আটক কৰে। নিহত লোকজন এতিয়ালৈকে চিনাক্ত হোৱা নাই। আহত দুয়োজন লোকক চিকিৎসাৰ বাবে হাস্পতাললৈ প্ৰেৰণ কৰা হৈছে।

০০০০০০০

নৱবৰ্ষ উপলক্ষে আজি যোৰহাট জিলা আয়ুক্ত জয় শিৱানীৰ অধ্যক্ষতাত জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলা প্ৰশাসনৰ বিষয়া আৰু কৰ্মচাৰীসকলৰ মাজত এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত বিগত বৰ্ষত সম্পন্ন কৰা কামসমূহৰ সন্দৰ্ভত আলোচনা কৰাৰ লগতে চলিত বৰ্ষত কৰিবলগীয়া কামসমূহৰ বিষয়েও আলোচনা কৰা হয়।

০০০০০০০

**ঃঃ সমাপ্ত ঃঃ**